**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ।

২। নিৰ্বাচন আয়োগৰ আজি ৰাজ্যৰ বিশেষ সংশোধিত ভোটাৰ তালিকা প্ৰকাশ।

৩। বজালী, বৰপেটা আৰু নলবাৰীৰ সম্ভাব্য উদ্যোগীক আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৪। উত্তৰ-পূব ভাৰতীয় পৰ্যটন সংঘৰ ১৩ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈ ৰাষ্ট্ৰীয় পৰ্যটন সন্মিলনৰ আয়োজন। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নেডাৰলেণ্ডছ নামিবিয়াৰ, নিউজিলেণ্ডছ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ আৰু পাকিস্তান আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুখামুখি।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ তিৰাল্লিছ জন ছাত্ৰ আৰু দুই লাখ আঠচল্লিছ হেজাৰ তিনিশ বাইছগৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হব। পুৱা ৯ বজাৰ পৰা প্ৰথম দিনৰ পৰীক্ষা অনুষ্ঠিত হব। হাইস্কুল শিক্ষান্ত পৰীক্ষা, ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। আজি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব। এইবাৰ প্ৰশ্নকাকতৰ ক্ষেত্ৰত পৰিষদে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত বৰ্ষবোৰৰ দৰে কেইবাটাও ভাষাত পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হব পাৰিব যদিও একেখন প্ৰশ্নকাকতৰ বিপৰীতে এইবাৰ অসমীয়া, ইংৰাজী, বড়ো আৰু হিন্দী মাধ্যমৰ প্ৰশ্নকাকত পৃথককৈ ছপা কৰা হৈছে। পৰীক্ষাৰ সময়ছোৱাত কোনো অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হব নোৱাৰাৰ প্ৰতিও পৰিষদে বিশেষ নজৰ ৰাখিছে।

ইপিনে কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষা অনুষ্ঠিত হব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ পৰীক্ষাৰ্থী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিচতে মুঠ ৪৮ টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দৰ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে।

000000

ৰাজ্যত বিশেষ সংশোধিত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বাবে যোৱা বছৰৰ ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ পৰীক্ষণ সম্পন্ন কৰিছিল

আৰু ইয়াৰ পাছতে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছিল। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীলৈ খচৰা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি সন্দৰ্ভত দাবী আৰু আপত্তি গ্ৰহণ কৰা হৈছিল যদিও কেইখনমান জিলাত ওজৰ-আপত্তি অধিক হোৱাৰ বাবে আয়োগে দাবী আৰু আপত্তি গ্ৰহণৰ সময় বৃদ্ধি কৰিছিল। ৰাজ্যিক নিৰ্বাচন আয়োগে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পূৰ্বে দিয়া এটা নিৰ্দেশ অনুসৰি সংশোধনৰ সময়ত বিভিন্ন কাৰণত স্থায়ীভাৱে স্থানান্তৰিত হোৱাৰ বাবে নাম কৰ্তন হোৱা ভোটদাতাসকলক সকাহ দি আয়োগৰ ৬ নম্বৰ প্ৰ-পত্ৰ দাখিল কৰিবলৈ আহ্বান জনাইছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই সকলো জিলাৰ নিৰ্বাচনী বিষয়ালৈ দিয়া নিৰ্দেশ অনুসৰি ৰাজ্যত বিভিন্ন কাৰণত প্ৰশাসনিক কাৰ্য-কলাপৰ পৰিপ্ৰেক্ষিতত কিছুসংখ্যক ভোটদাতাক স্থায়ীভাৱে স্থানান্তৰিত বুলি তালিকাৰ পৰা আঁতৰাই দিয়া হৈছিল যদিও স্থানান্তৰৰ বাবে আবেদন দাখিল কৰিব পৰা হোৱা নাছিল। এনে ভোটদাতাসকলে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পাছত ৬ নম্বৰ প্ৰ-পত্ৰযোগে আবেদন কৰিব পাৰিব বুলি কোৱা হৈছে। অৱশ্যে অযোগ্য ভোটাৰৰ নাম যাতে অন্তৰ্ভুক্ত নহয়, তাৰপ্ৰতি দৃষ্টি ৰাখিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ অহা ১৭-১৮ ফেব্ৰুৱাৰীত দেশৰ নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীসহ এটা উচ্চস্তৰীয় দলে নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ পৰিস্থিতি অধ্যয়ন কৰিব। ইয়াৰ আগেয়ে দুদিনপূৰ্বে ৰাজ্যখনলৈ অহা দেশৰ নিৰ্বাচন আয়োগৰ উচ্চস্তৰীয় প্ৰতিনিধি দলটো কালি সন্ধিয়া দিল্লীলৈ উভতি যায়।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আজি নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত এখন সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰিব। বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী সম্ভাব্য উদ্যোগীয়ে এই ধন লাভ কৰিব। সাধাৰণ শাখাৰ প্ৰতিগৰাকীয়ে দুই লাখ টকা আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব। দিনৰ ১ বজাৰ পৰা হ'বলগীয়া অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকিব। মুখ্যমন্ত্ৰী উপস্থিত থাকিবলগীয়া সভাখনৰ প্ৰস্তুতি সম্পৰ্কে আমাৰ নলবাৰী জিলাৰ সংবাদদাতা ৰমেন কলিতাই এইদৰে জনাইছে-

**ভইচকাষ্ট (ৰমেন কলিতা)**

০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচীৰ কালি শুভাৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাবুৱাত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দিনজয় চাহ বাগিচাৰ খেল-পথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। ৰাজ্য চৰকাৰে শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

বাইট

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকসকলক প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ অধীনত একোটাকৈ বাসগৃহ আৰু গৃহ মেৰামতিৰ বাবে ১ লাখ টকাকৈ দিয়াৰ চিন্তা-চৰ্চা কৰিছে বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন জিলাত কেইবাগৰাকী মন্ত্ৰীয়ে কালি প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰ বিতৰণ কৰে।

চৰাইদেউ জিলাৰ ডোমৰ দলং চাহ বাগিছাত আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে চাহ শ্ৰমিক পৰিয়ালসমূহক ভূমি বন্দোবস্তিৰ প্ৰপত্ৰ বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া ভূমি সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে।

মৰাণ চাহ বাগিচাৰ এহেজাৰ ৩৮৭টা পৰিয়ালে ভূমি বন্দোবস্তিৰ প্ৰমাণপত্ৰ লাভ কৰিছে বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয় যে চাহ শ্ৰমিকসকলৰ মৰ্যাদা সুৰক্ষা আৰু সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে এই শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হৈছে। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

০০০০০০

ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ অংশ হিচাপে কালি লখিমপুৰত 'বেটী বচাও, বেটী পঢ়াও' কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত প্ৰণৱজিৎ কাকতি, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং মুকুল চন্দ্ৰ বৰাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই কাৰ্যসূচীৰ অধীনত কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জিলা পৰ্যায়ত আয়োজিত ছোৱালীৰ বেডমিণ্টন, চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰো বিতৰণ কৰা হয়।

০০০০০০

আন্তঃগাঁথনি উন্নীতকৰণৰ জৰিয়তে ৰাজ্যৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কালি মন্ত্ৰী পীযুষ হাজৰিকাই কমলপুৰ বিধানসভা সমষ্টিত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প মুকলি কৰে। তেওঁ পুৰণি এন টি পথৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ লগতে এখন পকী দলং মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কমলপুৰত নৱনিৰ্মিত প্ৰৱেশদ্বাৰ, পৰিদৰ্শন বঙলা আৰু কমলপুৰ ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ কাৰ্যালয় মুকলি কৰে। তেওঁ কমলপুৰ থানাৰ প্ৰস্তাৱিত নতুন গৃহ নিৰ্মাণ আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশ লয়। সাংবাদিকৰ আগত শ্ৰীহাজৰিকাই এইদৰে কয় –

**বাইট**

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিকাশ আৰু অঞ্চলটোৰ পৰ্যটনৰ সম্ভাৱনা দেশে-বিদেশে প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে উত্তৰ-পূব ভাৰতীয় পৰ্যটন সংঘই ১৩ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈ ৰাষ্ট্ৰীয় পৰ্যটন সন্মিলন আয়োজন কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠ ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য, নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্য আৰু দুঃসাহসিক পৰ্যটনৰ সম্ভাৱনা বিশ্বৰ সন্মুখত দাঙি ধৰিবলৈ এই কাৰ্যসূচী লোৱা হৈছে। সন্মিলনৰ অংশ হিচাপে আয়োজিত অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন খণ্ডৰ অংশীদাৰ, চৰকাৰী প্ৰতিনিধি আৰু ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধিসকলে অংশ ল'ব। ছদিনীয়া কাৰ্যসূচীত মত বিনিময় অনুষ্ঠান, নেটৱৰ্কিং সন্মিলন, পৰ্যটনস্থলী প্ৰদৰ্শনী আৰু উত্তৰ-পূবৰ বৈচিত্ৰময় তথা অতুলনীয় পৰ্যটন অভিজ্ঞতা ল'ব পৰাকৈ ক্ষেত্ৰভিত্তিক ভ্ৰমণৰ ব্যৱস্থা থাকিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত নেডাৰলেণ্ডছ নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১১ বজাত আৰম্ভ হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া খেলখনত নিউজিলেণ্ডে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে আৰু সন্ধিয়া ৭ বজাত কলম্বোৰ সিংহালীজ স্পৰ্টছ ক্লাবত হ'বলগীয়া খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব।

কালি সন্ধিয়া গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে ৫৭ ৰানত বিজয় সাব্যস্ত কৰে। জয়ৰ বাবে দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ২১৪ ৰানৰ লক্ষ্যৰে খেলি কানাডাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। কানাডাৰ হৈ নবনীত ধালিৱালে ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিৰিয়ে ৪টা উইকেট দখল কৰে। তেওঁক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে, প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ এখন খেলত কালি জিম্বাবুৱেই-ওমানক ৮ উইকেটত পৰাস্ত কৰে। কলম্বোৰ সিংহালীজ স্পোৰ্টছ্ ক্লাবত অনুষ্ঠিত খেলখনত ১০৪ ৰানৰ বিজয় লক্ষ্যৰে খেলি জিম্বাবুৱেই ১৩ অভাৰ ৩টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ২০৮ ৰানৰ লক্ষ্যৰে খেলি ইটালীয়ে ১৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, পাকিস্তানেৰে যোগসূত্ৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী আৰু গৌৰৱ গগৈৰ বাকযুদ্ধ, বাগিচাৰ পাঁচ লাখ পৰিয়ালে পাব ভূমিৰ অধিকাৰ আদি ভিন ভিন বাতৰিক প্ৰথম পৃষ্ঠাৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে মুখ্যমন্ত্ৰীৰ মিথ্যাচাৰৰ বেহু ফালি গৌৰৱ গগৈৰ সবল যুক্তিপূৰ্ণ প্ৰত্যুত্তৰ শিৰোনামেৰে মুখ্যমন্ত্ৰীয়ে তোলা অভিযোগৰ প্ৰত্যুত্তৰ সন্দৰ্ভত প্ৰধান বাতৰি প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ শিৰোনাম গৌৰৱ বনাম মুখ্যমন্ত্ৰী- উত্তপ্ত ৰাজনীতি। দৈনিক জনমভূমি কাকতে ৰাজ্যৰ আঠ শতাধিক বাগিচাৰ পাঁচ লাখ পৰিয়ালে পাব ভূমিৰ অধিকাৰ শীৰ্ষক বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে চিকেন নেক কৰিডৰত চৌত্ৰিছ কিলোমিটাৰ ভূগৰ্ভত ৰেলপথ নিৰ্মাণেৰে বৃদ্ধি হ'ব সংযোগ সুৰক্ষা শীৰ্ষক বাতৰিক অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সৰ্বোচ্চ ন্যায়ালয়ত গোচৰ শিৰোনামেৰে সাংসদ ওৱেইচিসহ বিভিন্নজনৰ ফৌজদাৰী গোচৰ চলাবলৈ হায়দৰাবাদত এজাহাৰ দাখিল কৰাৰ বাতৰিক শীৰ্ষ বাতৰি স্থান দিছে। দি আছাম ট্ৰিবিউন কাকতে কেন্দ্ৰই মধ্য সোৱণশিৰি প্ৰকল্পৰ কাম-কাজ আৰম্ভ কৰাৰ বাবে এন এইচ পি চিক অনুমোদনৰ জনোৱা বাতৰি প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে এছ আই আৰক লৈ মমতা বেনাৰ্জীক সকাহ দিলে উচ্চতম ন্যায়ালয়ে শীৰ্ষক বাতৰি প্ৰথম পৃষ্ঠাত অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাকতে চালক হেণ্ডিমেনে ভাঙি তহিলং কৰিলে ট'লগেট ঘাইপথ অৱৰোধ শীৰ্ষক এটা বাতৰিক নিয়মীয়া বাৰ্তা কাকতে আলোকচিত্ৰসহ বিস্তৃতভাৱে প্ৰকাশ কৰিছে। দা চেণ্টিনেল কাকতে প্ৰধানমন্ত্ৰী মোদীয়ে আত্মবিশ্বাস আৰু স্বাস্থ্য সন্দৰ্ভত শিক্ষাৰ্থী সকলক প্ৰধানমন্ত্ৰীয়ে দিয়া টিপ্পণী সম্পৰ্কে প্ৰধান বাতৰি পৰিৱেশন কৰিছে।

০০০০০০

চাবুৱা লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাসহ এটা সঁজাতি দলে কালি, যোৱা ১১ ডিচেম্বৰত অৰুণাচল প্ৰদেশত মৃত্যু হোৱা অসমৰ ২০ জন শ্ৰমিকৰ পৰিয়ালক সাক্ষাৎ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। বৰ্তমান মাকুম সমষ্টিৰ অন্তৰ্গত অঞ্চলত বাস কৰা শ্ৰমিক পৰিয়াল কেইটালৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আৰ্থিকভাৱে সকাহ দিবলৈ মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য পুঁজিৰ চেক প্ৰদান কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**